# মধ্য বয়স্কৰ তুলাচনীত যুৱ প্ৰজন্ম

□ জিতু মণি পাঠক

যেতিয়া কোনো এজন ব্যক্তিয়ে উঠি অহা যুৱ চামক নিৰৱচ্ছিন্নভাৱে সমালোচনা কৰিবলৈ লয়, তেতিয়াই ধৰি ল'ব পাৰি যে সেই ব্যক্তিগৰাকী মধ্য বয়স্কৰ শাৰীলৈ উত্তীৰ্ণ হৈছে। যুৱচামৰ কাম-কাজক লৈ সময়ে সময়ে উদ্‌গীৰিত হোৱা তেওঁলোকৰ অগ্নিবৰ্ষা সমালোচনাক যুৱচামে সদায় যৌৱন হেৰুওৱাৰ ক্ষোভৰ বিস্ফোৰণ বুলিয়েই অৱজ্ঞা কৰি আহিছে। সেয়া যোল অনাই মিছা বুলি একাষাৰে ক'ব নোৱাৰি। কিন্তু তাৰ লগতে আমি এই কথাও মনত ৰখা উচিত যে এইসকলেই কিছুদিন আগতে এৰি থৈ অহা এটা যৌৱনৰ অভিজ্ঞতাৰেও পুষ্ট। বহু সময়ত তেওঁলোকে যৌৱনক উপভোগ কৰিছিল সীমাবদ্ধতাৰে, বহু সময়ত উপভোগ কৰিছিল সীমা চেৰাই। সেই সময়ৰ সকলো ভাল-বেয়াৰ মিশ্ৰিত ফল এতিয়া তেওঁলোকৰ হাতৰ মুঠিত। তাকেই আলম কৰি তেওঁলোকে মাজে মাজে মুখৰ হৈ উঠে নতুন চামক উদ্দেশ্যি। অগ্ৰজসকলৰ সেই 'চিএঃৰ'ক সকলো সময়তে ভিত্তিহীনতাৰ ভেটিত গঢ় লৈ উঠা বুলি ভবাটো কেতিয়াও শুদ্ধ চিন্তা হ'ব নোৱাৰে। তেওঁলোকৰ চিন্তা, ধাৰণাক এবাৰলৈ হ'লেও শুনিবলৈ, হৃদয়ঙ্গম কৰিবলৈ ধৈৰ্য, সাহস গোটোৱাটোও নতুন প্ৰজন্মৰ এক দায়িত্ব।

বহু সময়ত মধ্যবয়সী এই লোকসকলে নতুন প্ৰজন্মক কৰা সমালোচনাত পক্ষপাত দুষ্টতাই চুই যায়। উদ্দেশ্য সৎ যদিও এনে হয় তেওঁলোকৰ সঠিক বিশ্লেষণাত্মক শক্তিৰ অভাৱত। যাৰ ফলত তেওঁলোকৰ সৎ পৰামৰ্শকো গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে নতুন প্ৰজন্মই। অনিবাৰ্যভাৱে দুয়োপক্ষৰ মাজত তেতিয়া সৃষ্টি হয় সংঘাতৰ। এনে সংঘাতে কেতিয়াবা এনে এক বিশ্ৰী পৰ্যায় পায়গৈ যে কোনো পক্ষই কাৰো কথা শুনিবলৈ সন্মত নহয়। যুৱ প্ৰজন্মৰ দৃষ্টিত এওঁলোক হৈ পৰে যৌৱন উপভোগৰ শক্তি হেৰুৱাই পেলোৱা এচাম ঈৰ্ষান্বিত জীৱ। মধ্যবয়সী লোকসকলৰ বাবে যুৱচাম হৈ পৰে উদ্ধত, বেপৰোৱা কিছুমান নষ্ট চৰিত্ৰ।

আমাৰ বোধেৰে সন্ধিক্ষণৰ এনে এক সময়ত মধ্যবয়স্কসকলৰেই প্ৰয়োজন অধিক ধৈৰ্য আৰু সহিষ্ণুতা প্ৰদৰ্শন কৰাৰ। কাৰণ, এওঁলোকৰ ওপৰতেই নিয়োজিত হৈ আছে ভৱিষ্যতৰ বাবে কিছু সুস্থ মানৱ সৃষ্টি কৰাৰ দায়িত্ব। উত্তাল যৌৱনেৰে টগৱগাই থকা এই মানৱ সম্পদ অফুৰন্ত শক্তিৰ ভাণ্ডাৰ। সঠিক পথ নিৰ্দেশনাৰে তেওঁলোকক কল্যাণকামী শক্তি হিচাপে গঢ়ি তুলিব পৰা কথাটোতে নিহিত হৈ আছে মানৱ সমাজৰ বাবে এক সুৰক্ষিত ভৱিষ্যৎ। নিজৰ প্ৰেক্ষাপটত থিয় হৈ যুৱ প্ৰজন্মক বিশ্লেষণ কৰিবলৈ যোৱা কথাটোৱে তেওঁলোকক বিদ্ৰোহী কৰি তোলাৰ সম্ভাৱনা আছে। যুৱ-প্ৰজন্মৰ প্ৰেক্ষাপটত থিয় হৈ তেওঁলোকৰ মাজত থকা সৌন্দৰ্যখিনি বিচাৰি উলিয়াবলৈ যদিও অগ্ৰজসকলে প্ৰয়াস কৰে, তেন্তে ই সমগ্ৰ মানৱ সমাজকে যথেষ্ট সুফল প্ৰদান কৰিব।

সমান্তৰালভাৱে একে সময়তে জীৱন-যাপন কৰি থকাৰ পিছতো নতুন প্ৰজন্ম আৰু মধ্যবয়সীসকলৰ মাজত প্ৰেক্ষাপট ভিন্ন হয়। সেয়েহে জীৱন সম্পৰ্কে দুয়োৰে দৃষ্টিভংগীও হয় ভিন্ন। এটা পক্ষৰ বাবে যিটো সঠিক যেন লাগে, আনটো পক্ষৰ বাবে সেয়া সঠিক নহ'বও পাৰে। নিজ নিজ দৃষ্টিকোণৰ পৰা লক্ষ্য কৰাৰ বাবেই একেটা বস্তুতে এইদৰে ভিন্ন গুণ আৰোপিত হয়। এনে ক্ষেত্ৰত প্ৰজন্মৰ সীমা অতিক্ৰমি মানৱীয় দৃষ্টিকোণেৰে যিটো সঠিক যেন অনুভৱ কৰা হয়, তাৰেই পক্ষ লোৱাটো প্ৰয়োজন। তাৰ বাবে যদি মধ্যবয়সীসকলে নিজৰ সিদ্ধান্ত এটাক সলনি কৰিবলগীয়াও হয়, সি কোনো লজ্জাৰ কাৰণ নহয়। বৰং তেওঁলোকৰ এই মহানতাৰ বাবে আজিৰ প্ৰজন্মই ভৱিষ্যৎ জীৱনত তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিব।

নতুন প্ৰজন্মৰ সকলো কাম-কাজেই দোষ-ত্ৰুটিৰে পৰিপূৰ্ণ— এনে এক বদ্ধমূল ধাৰণাকে যৌৱন এৰি অহা এইচাম লোকে সততে আঁতৰাই ৰখাৰ বাবে সচেষ্ট হ'ব লাগিব। যুৱ চামৰ কোনো বেয়া কামত এইসকলে যিদৰে আগ্নেয়গিৰিৰ দৰে উদ্‌গীৰিত হৈ উঠে, ঠিক সেইদৰে তেওঁলোকৰ ভাল কামৰ সময়তো প্ৰশংসাৰে মুখৰ হৈ পৰিব পৰাৰ ক্ষমতা, শক্তি আহৰণ কৰিব পাৰিব লাগিব। তেনে এক আড়ম্বৰিত ব্যক্তিত্বৰে যদি মধ্যবয়সীসকলে নিজকে সজ্জিত কৰি তুলিবলৈ সক্ষম হয়, তেন্তে হেজাৰ অশ্বশক্তিৰ বলেৰে মহীয়ান যুৱ শক্তিও তেওঁলোকৰ ওচৰত সেও মানিবলৈ বাধ্য। অন্যথা তেওঁলোকৰ একপক্ষীয় সমালোচনাক যুৱ প্ৰজন্মই যৌৱন হেৰুওৱাৰ ক্ষোভত বিষাদগ্ৰস্ত হৈ পৰা এচাম লোকৰ প্ৰলাপ বুলি সদায়ে অৱজ্ঞা কৰি যাব।